
DAILY ASSAM

## পাঠ - ১৪

# আমাৰ অধিকাৰ

C9L9X3

বিপুল কেন্দুগুৰি গাঁৱৰ ১১নং আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। এদিন পুৱাই শিক্ষক-শিক্ষয়িত্ৰীয়ে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ক্ষেত্ৰ ভ্ৰমণলৈ লৈ গ'ল। গন্তব্য স্থান কেন্দুগুৰি গাঁৱৰ পৰা ৬০ কিলোমিটাৰ আঁতৰৰ এটা পাহাৰীয়া অঞ্চল। অঞ্চলটোত প্ৰৱেশ কৰিয়েই সেউজীয়া গছ-গছনিৰে ভৰা মনোৰম দৃশ্য দেখি সকলো আপ্লুত হ'ল। বাছেৰে গৈ থাকোঁতে সিহঁতে দুডৰা খেতি দেখিলে। খেতিপথাৰত পুৰুষ আৰু মহিলাই খেতি কৰি আছিল। লগত ছোৱালী দুজনীমানে কোলাত সৰু ভায়েকহঁতক লৈ আছিল। এইদৰে কিছু সময় যোৱাৰ পাছত গাড়ীচালকক শিক্ষকে বাছখন ৰখাবলৈ ক'লে। শিক্ষকৰ নিৰ্দেশমতে সকলো ছাত্ৰ-ছাত্ৰীয়ে বাছখনৰপৰা নামিলে। শিক্ষকে সিহঁতক পাহাৰৰ লুংলুঙীয়া বাটেৰে নিজৰা এটা চাবলৈ লৈ গ'ল। আটায়ে নিজৰাটো দেখি বৰ আনন্দ পালে। সকলোৰে নিজৰাৰ পানীৰে খেলিলে। শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকৰ ম'বাইল ফোনেৰে সিহঁতৰ লগতে সেই সুন্দৰ পাহাৰীয়া দৃশ্যৰ ফটো তুলিলে। কিছু সময়ৰ পাছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ওচৰৰে এখন প্ৰাথমিক বিদ্যালয়লৈ লৈ গ'ল। বিদ্যালয়খন পাবলৈ তেওঁলোকে কিছু দূৰ খোজকাঢ়িব লগা হ'ল।




*শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে বিপুলহঁতে বাছেৰে গৈ পোৱা পাহাৰীয়া অঞ্চলটোৰ বিদ্যালয়খন*

সেই সময়ত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰাতঃসভাৰ বাবে শাৰী পাতি সাজু হৈছিল। সিহঁতেও বিদ্যালয়খনৰ প্ৰাতঃসভাত অংশগ্ৰহণ কৰিলে। সিহঁতে লক্ষ্য কৰিলে যে প্ৰাতঃসভাখন আগবঢ়াই নিয়াত কেৱল ল'ৰাবোৰে আগভাগ লৈছে। প্ৰাতঃসভাখন শেষ হোৱাৰ পাছত দুয়োখন বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্তৰংগভাৱে মত বিনিময় হ'ল।



সিহঁতে দুপৰীয়াৰ আহাৰ সেই বিদ্যালয়তে গ্ৰহণ কৰি দিনৰ ২ বজাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বিদায় ল'লে। তাৰ পাছত অঞ্চলটো ঘূৰি পকি চাই ৩ মান বজাত বাছত উঠি উভতি আহিল।

বাছৰ ভিতৰতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে দিনটোৰ কথাবোৰ আলোচনা কৰিবলৈ ধৰিলে।

অনিতা — এই অঞ্চলটোৰ জনবসতি সেৰেঙা আৰু বিদ্যালয়ৰ সংখ্যাও কম। ইয়াৰ কাৰণটো কি হ'ব পাৰে ছাৰ?

শিক্ষক — এইটো পাহাৰীয়া অঞ্চল হোৱাৰ বাবে ইয়াত যাতায়াতৰ ব্যৱস্থা সুবিধাজনক নহয়। ইয়াৰ ভৌগোলিক পৰিৱেশ সুচল নোহোৱা বাবে জনসংখ্যা কম আৰু বিদ্যালয়ৰ সংখ্যাও কম।

ৰেখা — ছাৰ, মই এটা কথা মন কৰিছোঁ যে আমি পৰিদৰ্শন কৰা বিদ্যালয়খনত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যা খুব কম। বিদ্যালয়লৈ নগৈ খেতি পথাৰত কিছুমান ছোৱালীয়েও কাম কৰি আছে। আমাৰ নিচিনা ছোৱালী কেইজনীমানে সিহঁতৰ ভায়েক-ভনীয়েকক ওমলাই থকাও দেখিলোঁ।

শিক্ষক — এৰা, ময়ো মন কৰিছোঁ। এই পাহাৰীয়া অঞ্চলটোত বসবাস কৰা অভিভাৱকসকলৰ বেছি ভাগেই অশিক্ষিত/নিৰক্ষৰ হোৱা বাবে শিশুৰ অধিকাৰৰ প্ৰতি তেওঁলোক ইমান সচেতন নহয়। সামাজিক আৰু ভৌগোলিকভাৱে যাতায়াত ব্যৱস্থাও সুচল নহয় বাবে এইসকল লোকে কঠোৰ পৰিশ্ৰম কৰি জীৱন নিৰ্বাহ কৰিব লগাত পৰে। বেছিভাগ পৰিয়ালত সতি-সন্ততিৰ সংখ্যা বেছি। আৰ্থিকভাৱে জুৰুলা হোৱা বাবে কিছুমান পৰিয়ালৰ মাক-দেউতাক দুয়োজনে হাজিৰা কামৰ বাবে নিতৌ ভৈয়ামলৈ যাব লাগে। গতিকে ভাই-ভনীহঁতক চোৱাচিতা কৰাৰ দায়িত্ব ছোৱালীবোৰৰ ওপৰত পৰে। ছোৱালীবোৰে বিদ্যালয়লৈ নগৈ খেতি পথাৰত কাম কৰিবলগীয়া হয়। আকৌ বহুতে অৰ্থৰ অভাৱত নগৰত নিজৰ ছোৱালীক আনৰ ঘৰত বন কৰা ছোৱালী হ'বলৈ পঠিয়ায়। এনেদৰে লিংগ-বৈষম্যৰ সৃষ্টি হৈছে।

বিপুল — ছাৰ, লিংগ-বৈষম্য মানে কি?

শিক্ষক — লিংগ-বৈষম্য মানে ল'ৰা আৰু ছোৱালীৰ মাজত থকা ভেদাভেদ।


এনে সময়তে বাছখন আহি বিদ্যালয়ৰ সন্মুখত ৰ'লহি। ল'ৰা-ছোৱালীবোৰে শাৰীপাতি নামিলে আৰু ঘৰলৈ উভতিল।

DAILY ASSAM

ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰ ভ্ৰমণৰ অভিজ্ঞতাৰ পৰা কি বুজিলা—

➤ বাছেৰে গৈ থাকোঁতে বিপুলহঁতে খেতি পথাৰত কি কি দেখা পাইছিল ?

তোমালোকে নিশ্চয় মন কৰিছা যে, ছাত্ৰ-ছাত্ৰীসকলে ক্ষেত্ৰ ভ্ৰমণৰ বাবে পাহাৰীয়া অঞ্চল এটালৈ গৈছিল। তাৰ পৰিৱেশ যাতায়াতৰ বাবে সুচল নহয় বাবে তাত জনসংখ্যা কম আৰু বিদ্যালয়ৰ সংখ্যাও কম। আনকি বিপুলহঁতে চাবলৈ যোৱা বিদ্যালয়খনত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যাও কম আছিল।



পাহাৰীয়া অঞ্চলটোৰ গাঁওখন


**দলত আলোচনা কৰি কোৱা —**

➤ তেওঁলোকে চাবলৈ যোৱা বিদ্যালয়খনত ল'ৰাতকৈ ছোৱালীৰ সংখ্যা কম হোৱাৰ কাৰণ কি ?

➤ লিংগ-বৈষম্য থাকিলে আমাৰ কি কি অসুবিধা হয় ?

**জানি লওঁ আহা-**

● বৰ্তমান পৃথিৱীৰ অন্য দেশৰ লগতে আমাৰ ভাৰতবৰ্ষটো শিশুৰ অধিকাৰ সাব্যস্ত কৰিবলৈ বহুতো সংগ্ৰাম চলি আহিছে। সৌ সিদিনা বাতৰি কাকত আৰু টিভিত দেখিলোঁ পাকিস্তানৰ বাসিন্দা মালালা ইউচফযাই নামৰ এগৰাকী যুৱতীয়ে ছোৱালীৰ শিক্ষাৰ বাবে অবিৰতভাৱে সংগ্ৰাম চলাই অহাৰ ফলত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বলি হ'ব লগাত পৰিছিল। আমাৰ ভাৰতবৰ্ষতো কৈলাশ সত্যাৰ্থী নামৰ ব্যক্তিজনে বহু বছৰৰ পৰা শিশুসকলৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰি আহিছে।



মালালা ইউচফযাই



কৈলাশ সত্যাৰ্থীক

শিশুৰ অধিকাৰৰ বাবে সংগ্ৰাম চলাই অহা বাবে পাকিস্তানৰ মালালা ইউচফযাই আৰু ভাৰতৰ কৈলাশ সত্যাৰ্থীক ২০১৪ চনত নোবেল বঁটা প্ৰদান কৰা হৈছিল।

- আমাৰ দেশতো শিশুৰ অধিকাৰৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে। চৰকাৰে বিভিন্ন আইন প্ৰণয়ন কৰিছে।

- আমাৰ দেশৰ সকলো শিশুৱে যাতে শিক্ষাৰ সম অধিকাৰ পায় তাৰ বাবে ২০০৯ চনত শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আইন প্ৰণয়ন কৰা হয়। এই আইন অনুসৰি ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক। তদুপৰি চৰকাৰে ১৯৮৬ চনত 'শিশু-শ্ৰমিক আইন' প্ৰণয়ন কৰে। এই আইন অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুকে কল-কাৰখানা আদিত অৰ্থ উপাৰ্জনৰ কামত নিয়োগ কৰিব নোৱাৰিব।

**চিন্তা কৰি কোৱা—**

DAILY ASSAM

- তোমাৰ মাৰাই কি কি কাম কৰে?
- তোমাৰ ঘৰত দেউতাৰাই কি কি কাম কৰে?
- কেতিয়াবা মাৰৰ কাম দেউতাৰাই আৰু দেউতাৰৰ কাম মায়ে কৰা দেখিছানে?
- তোমালোকৰ ওচৰত বিদ্যালয়লৈ নোযোৱা ল'ৰা-ছোৱালী আছে নেকি? যদি আছে তাৰ কাৰণ জানিবলৈ চেষ্টা কৰা।

অসম চৰকাৰৰ অধিসূচনা মতে প্ৰতি বছৰে ৪ মাৰ্চ তাৰিখটো অসমত 'শিশু সুৰক্ষা দিৱস' হিচাপে পালন কৰা হয়।

## অনুশীলনী

১। (ক) লিংগ-বৈষম্য মানে কি?

(খ) শিশুৰ অধিকাৰ বুলিলে কি বুজা?

(গ) শিশুৰ অধিকাৰৰ বাবে থকা দুখন আইনৰ নাম উল্লেখ কৰা।

(ঘ) অসমত শিশু সুৰক্ষা দিৱস কোন তাৰিখে পালন কৰা হয়?

২। খালী ঠাই পূৰ কৰা।

(ক) বাছেৰে গৈ থাকোঁতে সিহঁতে দুডৰামান ——— দেখিলে।

(খ) সিহঁতে বিদ্যালয়খনৰ ——— সভাত অংশগ্ৰহণ কৰিলে।

(গ) আমাৰ দেশৰ চৰকাৰে ——— চনত শিশু শ্ৰমিক আইন প্ৰণয়ন কৰে।

(ঘ) ২০০৯ চনত ——— শিক্ষাৰ আইন প্ৰবৰ্তন কৰা হয়।

৩। সত্যনে অসত্য লিখা

(ক) সিহঁতে দেখা বিদ্যালয়খনত ছোৱালীৰ সংখ্যা যথেষ্ট আছিল।

(খ) সেই অঞ্চলটোৰ জনবসতি সেৰেঙা আছিল।

(গ) লিংগ-বৈষম্য মানে ল'ৰা আৰু ছোৱালীৰ মাজত থকা ভেদাভেদ।

(ঘ) মালালা ইউচফযাই ভাৰতীয় মহিলা।

৪। আকস্মিক বক্তৃতা আয়োজন কৰা—

লিংগ-বৈষম্য, শিশু শ্ৰমিক, শিশুৰ অধিকাৰ, ক্ষেত্ৰ ভ্ৰমণ, প্ৰাতঃসভা, বিদ্যালয়

৫। প'ষ্টাৰ লিখা —

(ক) শিক্ষা শিশুৰ মৌলিক অধিকাৰ

(খ) ৬ৰ পৰা ১৪ বছৰৰ সকলো শিশুৰ শিক্ষা বাধ্যতামূলক।

DAILY ASSAM